# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 25-12-2025

**Time :** 1845 Hrs.

***Assamese Midday Bulletin***

**HEADLINE**

ooooo

১।　ক্ৰীড়াৰ জৰিয়তে কৰ্মসংস্থাপন আৰু উপাৰ্জনৰ পথ আন্তৰ্জাতিক পৰ্যায়ত মুকলি হয় বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ মন্তব্য।

২।　ৰাজ্যৰ প্ৰশাসনৰ উচ্চ পৰ্যায়ত ব্যাপক সাল-সলনি। ১৪ খন জিলাৰ আয়ুক্ত বদলি।

৩।　প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ ১০১ সংখ্যক জয়ন্তী আজি দেশৰ আন আন প্ৰান্তৰ লগতে ৰাজ্যতো বিভিন্ন কাৰ্যসূচীৰে পালন ।

৪।　আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰলৈ ২০২৫ বৰ্ষৰ **শ্ৰোতা প্ৰেৰণা বঁটা**।

**আৰু**

৫।　বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে ৰাজ্যতো উলহ-মালহেৰে পবিত্ৰ বৰদিন উদযাপন।

ooooo

ক্ৰীড়াৰ জৰিয়তে কৰ্ম-সংস্থাপন আৰু উপাৰ্জনৰ পথ আন্তৰ্জাতিক পৰ্য্যায়ত মুকলি হয়। ডিব্ৰুগড় জিলাৰ সাংসদ খেল মহোৎসৱৰ সামৰণি অনুষ্ঠানত আজি অংশগ্ৰহণ কৰি ডিব্ৰুগড়ৰ সাংসদ তথা কেন্দ্ৰীয় জাহাজ, বন্দৰ তথা জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে ২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দায়িত্ব গ্ৰহণ কৰাৰ পাছৰে পৰাই নিৰন্তৰভাৱে খেলৰ জৰিয়তে সমাজখনক শক্তিশালী কৰি ৰাষ্ট্ৰ নিৰ্মাণত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে।

-বাইট-

ক্ৰীড়াৰ জৰিয়তে সমাজত শান্তি-শৃংখলাৰ লগতে ভাতৃত্ববোধ গঢ় দিয়া আৰু নাগৰিকসকলক একত্ৰিত হৈ দায়বদ্ধ হোৱাৰ ক্ষেত্ৰত সংকল্প গ্ৰহণ কৰা হৈছে। তেওঁ লগতে কয়, যে প্ৰধানমন্ত্ৰীৰ কাৰ্য্যকালত ক্ৰীড়াৰ জগতখনত ৰাজ্যখনে নতুন পৰিকল্পনা অন্তৰ্ভুক্ত কৰিবলৈ সমৰ্থ হৈছে। ক্ৰীড়াৰ জৰিয়তে এজন ব্যক্তিয়ে কায়িক, মানসিক আৰু আত্মাৰ সংযোগেৰে ব্যক্তিত্বৰ বিকাশ কৰিব পাৰে বুলিও তেওঁ উল্লেখ কৰে। ভাষণত মন্ত্ৰী সোণোৱালে লগতে কয়, যে খেলো ইণ্ডিয়া, ফিট ইণ্ডিয়া আদি কাৰ্য্যসূচীসমূহ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্য্যকালতে প্ৰৱৰ্তন কৰা হৈছিল। দেশৰ সকলো ৰাজ্যতে এই মহোৎসৱ অনুষ্ঠিত হৈ আহিছে আৰু ইয়াৰ জৰিয়তে দেশৰ বহু যুৱক-যুৱতী অলিম্পিক পৰ্য্যায়ৰ খেললৈ অগ্ৰসৰ হ'বলৈ সমৰ্থ হৈছে। খেলুৱৈসকলৰ বাবে দেশ-বিদেশত উন্নত মানৰ প্ৰশিক্ষণৰো ব্যৱস্থা কৰা হৈছে। ৰাজ্যৰ আন জিলাসমূহৰ লগতে ডিব্ৰুগড় জিলাতো

মানুহৰ আগ্ৰহ বৃদ্ধি পোৱা দেখিবলৈ পোৱা গৈছে। ক্ৰীড়া ক্ষেত্ৰত আগবাঢ়ি যাব পাৰিলে এখন আত্ম-নিৰ্ভৰ ভাৰত গঢ়ি তোলাত সুবিধা হয় বুলিও তেওঁ মন্তব্য প্ৰকাশ কৰে। কেন্দ্ৰীয় চৰকাৰে প্ৰতি বছৰে ক্ৰীড়াৰ বাবে বৃহৎ পৰিমাণৰ পুঁজিৰ আবণ্টন দিছে আৰু বিভিন্ন নীতিৰ জৰিয়তে খেলুৱৈসকলক উদগনি দিয়া হৈছে বুলিও তেওঁ উল্লেখ কৰে। যোৱা ৩১ অক্টোবৰত ডিব্ৰুগড় লোকসভাত সমষ্টি ভিত্তিত অনুষ্ঠিত হোৱা সাংসদ খেল মহোৎসৱৰ আজিৰ সামৰণি অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে সকলোকে সম্বোধন কৰে। অনুষ্ঠানত মন্ত্ৰী সোণোৱালৰ লগতে ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ সভাপতি তথা সাংসদ, খেল মহোৎসৱৰ সমন্বয়ক নিৰঞ্জন শইকীয়া, মন্ত্ৰী প্ৰশান্ত ফুকনৰ লগতে বহু কেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

ৰাজ্যৰ ১৪ খন জিলাৰ আয়ুক্তৰ সাল-সলনি কৰা হৈছে। সেই অনুসৰি কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত সুমিত চাট্টাৰনক তিনিচুকীয়া জিলাৰ আয়ুক্ত হিচাপে বদলি কৰা হৈছে আৰু তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপনীল পালক কামৰূপ মহানগৰ জিলাৰ আয়ুক্তৰ দায়িত্ব অৰ্পণ কৰা হৈছে। আৰণ্যক শইকীয়াক কাৰ্বি আংলঙৰ জিলা আয়ুক্ত হিচাপে দায়িত্ব দিয়া হৈছে। শিৱসাগৰ জিলা আয়ুক্ত আয়ুষ গাৰ্গক কাছাৰলৈ আৰু কাছাৰৰ জিলা আয়ুক্ত মৃদুল যাদৱক শিৱসাগৰলৈ বদলি কৰা হৈছে। একেদৰে, ধুবুৰীৰ জিলা আয়ুক্ত দিবাকৰ নাথক বঙাইগাঁৱলৈ আৰু বঙাইগাঁৱৰ জিলা আয়ুক্ত নৱদ্বীপ পাঠকক ধুবুৰীৰ জিলা আয়ুক্ত হিচাপে বদলি কৰা হৈছে। গোলাঘাটৰ জিলা আয়ুক্ত পুলক মহন্তক কাৰাগাৰৰ মহাপৰিদৰ্শক হিচাপে দায়িত্ব দিয়া হৈছে। ইপিনে, দৰঙৰ জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিক গোলাঘাটৰ জিলা আয়ুক্ত দায়িত্ব অৰ্পণ কৰা হৈছে। তামুলপুৰৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীক কোকৰাঝাৰৰ জিলা আয়ুক্ত দায়িত্ব অৰ্পণ কৰা হৈছে। কোকৰাঝাৰৰ জিলা আয়ুক্ত মাচান্দা মাগদালিন পাৰ্টিনক বিত্ত বিভাগৰ যুটীয়া আয়ুক্ত হিচাপে বদলি কৰা হৈছে। একেদৰে, পৰিৱেশ আৰু বন বিভাগৰ যুটীয়া আয়ুক্ত ছিমি কৰণক তামুলপুৰৰ আয়ুক্ত হিচাপে দায়িত্ব দিয়া হৈছে।

ooooo

প্ৰাক্তন প্ৰধানমন্ত্ৰী, ভাৰত ৰত্নৰে বিভূষিত অটল বিহাৰী বাজপেয়ীৰ আজি ১০১ সংখ্যক জয়ন্তী, সুশাসন দিৱস পালন কৰা হৈছে। দেশৰ আন আন প্ৰান্তৰ লগতে অসমতো প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ জয়ন্তী বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনত নেতাগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে প্ৰাক্তন প্ৰধানমন্ত্ৰী বাজপেয়ীৰ জীৱন আৰু কৃতিৰ ওপৰত আধাৰিত এখন আলোকচিত্ৰ প্ৰদৰ্শনীতো ভাগ লয়।

বিশ্বনাথ জিলাত অটল বিহাৰী বাজপেয়ীৰ জয়ন্তী উপলক্ষে আয়োজিত এটা অনুষ্ঠানত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই অংশগ্ৰহণ কৰে।

ধুবুৰী জিলাৰ হৰিসভাৰ সমীপত মন্ত্ৰী ৰণজিত কুমাৰ দাসে অটল বিহাৰী বাজপেয়ীৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰে।

কাছাৰ জিলাতো প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰা হয়। এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত মন্ত্ৰী কৌশিক ৰায়সহ বহু সংখ্যক ব্যক্তি উপস্থিত থাকে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অটল বিহাৰী বাজপেয়ীৰ জন্মবাৰ্ষিকী উপলক্ষে দিল্লীত থকা তেওঁৰ সমাধিত পুষ্পাৰ্ঘ্য নিবেদন কৰে।

০০০০০

উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো ৰেডিঅ’ শ্ৰোতা সংঘ মাজুলীৰ অনাতাঁৰ মৰম পৰিয়ালে আগবঢ়োৱা **শ্ৰোতা প্ৰেৰণা বঁটা ২০২৫** আজি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰক প্ৰদান কৰা হয়। আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠানৰ জৰিয়তে শ্ৰোতাসকলৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ গ্ৰহণ কৰা প্ৰচেষ্টাৰ বাবে শ্ৰীবৰঠাকুৰলৈ এই বঁটা আগবঢ়োৱা হয়।

**ৰাইট**

২০১০ চনৰ ২৫ ডিচেম্বৰত জিলাখনৰ মুদৈবিলত প্ৰতিষ্ঠা লাভ কৰা এই সংঘই মূলতঃ ৰেডিঅ’ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কাম কৰি আহিছে। সংঘই ইয়াৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰে ৰেডিঅ’ৰ সৈতে জড়িত একোগৰাকী ব্যক্তিক শ্ৰোতা প্ৰেৰণা বঁটা আৰু এগৰাকী শ্ৰোতাক বছৰটোৰ শ্ৰেষ্ঠ অনাতাঁৰ শ্ৰোতাবন্ধু বঁটা প্ৰদান কৰে। এই বছৰৰ বাবে অনাতাঁৰ শ্ৰোতাবন্ধু বঁটা দুগৰাকী শ্ৰোতা ধেমাজিৰ চিচি কেৰেকনি মাজগাঁৱৰ মহেশ্বৰ চুতিয়া আৰু তিনিচুকীয়া কাকপথাৰ ১ নম্বৰ তেজী গাঁৱৰ দীপক মৰাণক আগবঢ়োৱা হয়। মাজুলীৰ শ্ৰীশ্ৰী এলেংগি টকৌবাৰী সত্ৰত অনুষ্ঠিত অনাতাঁৰ মৰম পৰিয়ালৰ যোড়শ প্ৰতিষ্ঠা দিৱসত এই বঁটা প্ৰদান কৰা হয়। বঁটাত এটাকৈ ৰেডিঅ’ ছেট, স্মাৰক, জাপি, সম্বৰ্দ্ধনা পত্ৰ, অংগবস্ত্ৰ, কিতাপৰ টোপোলা আৰু একোটাকৈ গছপুলি প্ৰদান কৰা হয়। চিৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পদুম কুমাৰ মহন্তৰ সঞ্চালনাত অনুষ্ঠিত সভাখনত মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দেৱজিত শইকীয়াৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০

আজি পৱিত্ৰ বৰদিন। এই উপলক্ষে বিশ্বৰ আন আন প্ৰান্তৰ লগতে ৰাজ্যৰ গীৰ্জাসমূহত অগণন লোকৰ সমাগম পৰিলক্ষিত হয়। আজি পুৱাৰ ভাগত বৰদিন উপলক্ষে সমূহীয়া প্ৰাৰ্থনা, আলোচনা সভা আদি অনুষ্ঠিত হয়। আলোকসজ্জা, খ্ৰীষ্টমাছ ট্ৰী, ৰং-বিৰঙী ফুল, তৰা আদিৰে গীৰ্জাৰ লগতে খ্ৰীষ্টধৰ্মী লোকসকলৰ বাসগৃহসমূহ সজাই তোলা হয়। খ্ৰীষ্টধৰ্মী লোকসকলে কালি মাজনিশাৰে পৰা পৱিত্ৰ বৰদিন উপলক্ষে সমূহীয়া প্ৰাৰ্থনা কৰে। গুৱাহাটী মহানগৰীৰ পাণবজাৰৰ ব্যাপ্টিষ্ট চাৰ্চ, পাণবজাৰৰ ডনবস্ক’, খ্ৰীষ্টানবস্তি, সোণাইঘূলিকে ধৰি বিভিন্ন স্থানৰ গীৰ্জাসমূহ কেৰলৰ ধ্বনিৰে মুখৰিত হৈ উঠে।

উত্তৰ-পূব ভাৰতৰ প্ৰথম গীৰ্জা ঘৰ হিচাপে পৰিচিত শিৱসাগৰ জিলাৰ ব্যাপ্টিষ্ট মণ্ডলীৰ গীৰ্জাঘৰত বৰদিনৰ আয়োজন কৰা হয়। বৰপুখুৰীৰ পাৰত অৱস্থিত এই গীৰ্জাঘৰত শিৱসাগৰ জিলাৰ খ্ৰীষ্টীয় সমাজে সদ্যপ্ৰয়াত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত গভীৰভাৱে শোকাহত হৈ বৰদিন উদযাপন নকৰাৰ সিদ্ধান্ত লৈছিল। সেই সিদ্ধান্ত অনুসৰি বৰদিন উপলক্ষে এই বছৰ শিৱসাগৰ খ্ৰীষ্টীয় সমাজে আলোকসজ্জা, প্ৰীতিভোজ আৰু অন্যান্য কাৰ্যসূচী বাতিল কৰে।

ৰাজ্যৰ প্ৰথম পৰিষ্কাৰ আৰু স্বচ্ছ গাঁও হিচাপে পৰিচিত গোৱালপাৰা জিলাৰ ৰাংচাপাৰা গাঁওখনক বিভিন্ন আলোকসজ্জাৰে সজাই তোলাৰ লগতে খ্ৰীষ্টধৰ্মী লোকসকলে ঘৰে ঘৰে বিভিন্ন খাদ্য প্ৰস্তুত কৰে। গোৱালপাৰা নগৰৰ বাপুজী নগৰত থকা একমাত্ৰ গীৰ্জাঘৰতো বৰদিন পালন কৰা হয়। তদুপৰি অসম-মেঘালয় সীমান্তৰ খ্ৰীষ্টধৰ্মী গাৰো সম্প্ৰদায়ৰ লোকসকলেও বৰদিন পালন কৰে।

শিলচৰৰ গীৰ্জাঘৰসমূহতো বৰদিন উদযাপন কৰা হয়। বিশ্বনাথ জিলাৰ বিভিন্ন প্ৰান্তৰ লগতে গহপুৰ সম-জিলাতো খ্ৰীষ্টধৰ্মী লোকসকলে উলহ-মালহেৰে বৰদিন উদযাপন কৰে। খ্ৰীষ্টমাষ্ট ট্ৰী, বেটাৰী চালিত চাণ্টা ক্লজ, ৰং-বিৰঙী আলোকসজ্জাৰে বিপণীসমূহ ভৰি পৰা পৰিলক্ষিত হয়। অসম-অৰুণাচল সীমান্তৱৰ্তী হোলেঙ্গীৰ মিলনপুৰতো বৰদিন পালন কৰা হয়। বৰদিনৰ কাৰ্যসূচীত অৰুণাচল প্ৰদেশৰো বহু খ্ৰীষ্টান ধৰ্মাৱলম্বী লোক সমবেত হোৱা পৰিলক্ষিত হয়।

**বাইট**

চিৰাং জিলাৰ গীৰ্জাঘৰসমূহত বৰদিন উপলক্ষে উলহ-মালহ পৰিৱেশ বিৰাজ কৰা পৰিলক্ষিত হয়। জিলাখনৰ চাপাগুৰি, বেংতল, বামুণগাঁও, টুক্ৰাঝাৰ, বাসুগাঁও, বল্লামগুৰি আদি স্থানৰ গীৰ্জাঘৰসমূহত খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলে সমূহীয়া প্ৰাৰ্থনা কৰে।

০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিৰ পৰিস্থিতি ক্ৰমাৎ স্বাভাৱিক হৈছে। আজিৰ দিনটোত অঞ্চলটোত কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱা নাই বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। অৱশ্যে অঞ্চলটোৰ প্ৰায় সংখ্যক ব্যৱসায়িক প্ৰতিষ্ঠান এতিয়াও বন্ধ হৈ আছে। সেনা-আৰক্ষীয়ে পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। উল্লেখযোগ্য যে কাইলৈ প্ৰতিবাদকাৰী, কাৰ্বি স্বায়ত্তশাসিত পৰিষদ আৰু ৰাজ্য চৰকাৰৰ মাজত ত্ৰিপাক্ষিক আলোচনা হোৱাৰ কথা আছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে খেৰণি ফেলাংপিত আমৰণ অনশন কৰি থকা কাৰ্বি সম্প্ৰদায়ৰ সদস্যসকলক সাক্ষাৎ কৰাৰ পাছত প্ৰতিবাদকাৰীসকলে অনশন কাৰ্যসূচী প্ৰত্যাহাৰ কৰিবলৈ আৰু ত্ৰিপাক্ষিক আলোচনাৰ বাবে সন্মতি প্ৰকাশ কৰে।

কাৰ্বি আংলঙৰ ঘটনা সন্দৰ্ভত অসম ভোজপুৰী সন্মিলনে চৰকাৰক শীঘ্ৰেই অঞ্চলটোত শান্তি শৃংখলা বৰ্তাই ৰাখিবলৈ ব্যৱস্থা কৰিবলৈ আহ্বান জনায়। হোজাই জিলাৰ লংকাত আয়োজিত এখন সংবাদমেলযোগে অসম ভোজপুৰী সন্মিলনে এই কথা প্ৰকাশ কৰে।

০০০০০

অসম গ্ৰন্থমেলাৰ আজি দ্বিতীয় দিন। অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত কালিৰে পৰা অসম গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। গ্ৰন্থমেলাত আজি সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্মশতবৰ্ষৰ লগত সংগতি ৰাখি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। গ্ৰন্থমেলাৰ জুবিন গাৰ্গ সোঁৱৰণী প্ৰেক্ষাগৃহত **ড০ ভূপেন হাজৰিকাৰ গীতত সমকালীনতা** শীৰ্ষক আলোচনা সত্ৰ অনুষ্ঠিত হয়। সত্ৰখন সঞ্চালনা কৰি বিশিষ্ট সাহিত্যিক তথা অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহাই কয়, যে সমকালীনতাৰ খিড়িকীৰে ড০ ভূপেন হাজৰিকাৰ গীতৰ চিৰায়ত বিষয়টো বিচাৰ কৰি চাব পাৰি। ড০ ভূপেন হাজৰিকাৰ সৃষ্টিয়ে সময় ধৰি ৰাখিছে বুলি অনুষ্ঠানত অংশগ্ৰহণ কৰি সুধাকণ্ঠৰ সহযোগী বাদ্যশিল্পী কমল কটকীয়ে মন্তব্য কৰে। যে ড০ ভূপেন হাজৰিকা এগৰাকী দাৰ্শনিক আছিল বুলি সংগীত শিল্পী ৰঞ্জন কুমাৰ বেজবৰুৱাই মন্তব্য কৰে।

০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত দিনৰ ৩ বাজি ১০ মিনিটত প্ৰচাৰ হোৱা **শোণিতপুৰ জিলাত ৰূপায়িত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্যকেন্দ্ৰিক আঁচনি** সন্দৰ্ভত জিলাখনৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডঃ বিমান শৰ্মাৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ আমাৰ শোণিতপুৰ জিলাৰ সংবাদদাতা ৰজত ভৰদ্বাজৰ।

00000

সমাপ্ত